# গুৱাহাটী উচ্চ ন্যায়ালয়

## (অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

### গোচৰ নং : লেখ আবেদন (দেৱানী)/২১৬২/২০২৩

অমল কুমাৰ লাহা

পিতা–প্ৰয়াত অশ্বিনী কুমাৰ লাহা

নিবাস–লিংক ৰোদ (মেইন), ঘৰ নং– ১৮

থানা– শিলচৰ,

জিলা– কাছাৰ, অসম।

**বনাম**

অসম চৰকাৰ আৰু আন ছয়জন

প্ৰতিনিধিত্ব কৰিছে–আয়ুক্ত সচিব, অসম চৰকাৰ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (বি) বিভাগ, সচিবালয়, দিশপুৰ, গুৱাহাটী–৭৮১০০৬

২) আয়ুক্ত সচিব, অসম চৰকাৰ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (বি) বিভাগ, সচিবালয়, দিশপুৰ, গুৱাহাটী–৭৮১০০৬

৩) অতিৰিক্ত সচিব, অসম চৰকাৰ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (বি) বিভাগ, সচিবালয়, দিশপুৰ, গুৱাহাটী–৭৮১০০৬

৪) আয়ুক্ত সচিব, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগ, অসম চৰকাৰ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (বি) বিভাগ, সচিবালয়, দিশপুৰ, গুৱাহাটী–৭৮১০০৬

৫) তদন্তকাৰী বিষয়া তথা যুটীয়া সচিব, অসম চৰকাৰ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (বি) বিভাগ, সচিবালয়, দিশপুৰ, গুৱাহাটী–৭৮১০০৬

৬)সঞ্চালক, চিকিৎসা শিক্ষা, অসম, থানপাৰা, ছয় মাইল

গুৱাহাটী– ৭৮১০২২।

৭) অধ্যক্ষ তথা মুখ্য অধীক্ষক,

ফকৰুদ্দিন আলি আদমেদ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়

জোটি গাওঁ, বৰপেটা, পিন- ৭৮১৩০১

আবেদনকাৰীৰ অধিবক্তা-শ্ৰী এছ. বৰঠাকুৰ

উত্তৰদাতাৰ অধিবক্তা : স্থায়ী অধিবক্তা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ

সংলগ্ন গোচৰ:লেখ আবেদন (দেৱানী)/৮০০৪/২০১৯

অমল কুমাৰ লাহা

পিতা-প্ৰয়াত অশ্বিনী কুমাৰ লাহা,

নিবাস-লিংক ৰোদ (মেইন)

ঘৰ নং-১৮

থানা- শিলচৰ,

জিলা- কাছাৰ, অসম।

**বনাম**

অসম চৰকাৰ আৰু আন চাৰিজন

প্ৰতিনিধিত্ব কৰিছে-আয়ুক্ত সচিব, অসম চৰকাৰ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (বি) বিভাগ, সচিবালয়, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

২)আয়ুক্ত সচিব, অসম চৰকাৰ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (বি) বিভাগ, সচিবালয়,দিশপুৰ,গুৱাহাটী-৭৮১০০৬

৩)অতিৰিক্ত সচিব, অসম চৰকাৰ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (বি) বিভাগ, সচিবালয়, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

৪)সঞ্চালক, চিকিৎসা শিক্ষা, অসম, খানপাৰা, ছয় মাইল

গুৱাহাটী- ৭৮১০২২।

৫) অধ্যক্ষ তথা মুখ্য অধীক্ষক,

ফকৰুদ্দিন আলি আদমেদ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়

জোতি গাওঁ, বৰপেটা, পিন- ৭৮১৩০১

----------------------------------

**বিচাৰপীঠত উপস্থিত আছে**

**মহামান্য ন্যায়াধীশ শ্ৰীযুত সঞ্জয় কুমাৰ মেধি**

**ৰায় আৰু আদেশ**

আবেদনকাৰীসকলৰ অধিবক্তা: শ্ৰী এছ. বৰঠাকুৰ, অধিবক্তা

উত্তৰদাতাসকলৰ অধিবক্তা : শ্ৰী যুত দি. পি. বৰা, স্থায়ী অধিবক্তা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ

শুনানিৰ তাৰিখ: **০১.০৫.২০২৪**

ৰায়দানৰ তাৰিখ **:০১.০৫.২০২৪**

দুয়োখন লেখ আবেদনৰ ইখনৰ লগত সিখনৰ সম্পৰ্ক আছে আৰু একেজন আবেদনকাৰীয়ে দাখিল কৰিছে আৰু দুয়োখন আবেদনৰ একেলগে শুনানি গ্ৰহণ কৰি দুয়োটা গোচৰ নিষ্পত্তি কৰি একক ৰায়দান প্ৰদান কৰা হ'ল।

২)আবেদনকাৰীয়ে প্ৰক্ষেপ কৰা তথ্যসমূহ হল যে তেওঁ স্বাস্থ্য বিভাগত এনাস্থেথিষ্ট হিচাপে কৰ্মৰত আছিল আৰু তেওঁক ১৯৮৩ চনত নিযুক্তি দিয়া হৈছিল। চাকৰি কালত, তেওঁক ২৮.০৬.২০১৩ তাৰিখে, বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়লৈ বদলি কৰা হয়। সেই সময়ত আবেদনকাৰী বিভাগীয় কাৰ্য্যবিধিৰ সন্মুখীন হৈছিল, যিটো অৱশ্যে ২৫.০৬.২০১৫ তাৰিখৰ আদেশৰ জৰিয়তে ভৱিষ্যতে ভুলৰ পুনৰাবৃত্তি নকৰিবলৈ কঠোৰ সকিয়নী প্ৰদান কৰি বন্ধ কৰা হয়।২৮.১২.২০১৭ তাৰিখে আবেদনকাৰীয়ে স্বেচ্ছামূলক অৱসৰ বিচাৰি আবেদন দাখিল কৰিছিল।এই বুলি দাবী কৰা হৈছে যে উক্ত আবেদন এফ. আৰ. ৫৬(চি)ৰ অধীনত দাখিল কৰা হৈছিল। আবেদনকাৰীয়ে যুক্তি দিয়ে যে তেওঁ স্বেচ্ছামূলক অৱসৰৰ বাবে কৰা আবেদনৰ কোনো সঁহাৰি পোৱা নাছিল। উপৰুক্ত আইনৰ দফা অনুসৰি যদি ৩ (তিনি) মাহৰ ভিতৰত কোনো যোগাযোগ কৰা নহয়, তেন্তে আবেদনখন গ্ৰহণ কৰা বুলি গণ্য কৰা হয়। ইয়াৰ বহুদিন পিছত ২৭.০২.২০১৯ তাৰিখে আবেদনকাৰীক এক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হয়, য'ত তেওঁক অনুমতি নোহোৱাকৈ কৰ্মস্থলিত উপস্থিত নথকাৰ অভিযোগত নিজৰ প্ৰতিৰক্ষা সমৰ্থনত যুক্তি প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়া হয়। সেই পৰ্যায়ত, প্ৰথম লেখ আবেদন (লেখ আবেদন (দেৱানী)/৮০০৪/২০১৯ দাখিল কৰা হয় । প্ৰথমতে এই ন্যায়ালয়ে ১৩.১১.২০১৯ তাৰিখৰ আদেশৰ জৰিয়তে পৰ্যবেক্ষণ কৰিছিল যে অনুশাসনমূলক কাৰ্য্যবিধি লেখ আবেদনৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰিব। দেখা গৈছে যে, অনুশাসনমূলক বিচাৰ প্ৰক্ৰিয়া অব্যাহত থাকে আৰু আবেদনকাৰীয়েও অংশগ্ৰহণ কৰে। এই প্ৰক্ৰিয়াটোৰ অন্ত পৰিল ২০২৩ চনৰ ১০ মাৰ্চ তাৰিখৰ আদেশৰ জৰিয়তে, যাৰ দ্বাৰা আবেদনকাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়। ১০.০৩.২০২৩ তাৰিখৰ উক্ত চাকৰিৰ পৰা বৰ্খাস্ত

কৰাৰ আদেশক দ্বিতীয়খন লেখ আবেদনত প্ৰত্যাহ্বান জনোৱা হৈছে, লেখ আবেদন (দেৱানী)/২১৬২/২০২৩।

৩)আবেদনকাৰী সকলৰ হৈ উপস্থিত থকা বিজ্ঞ অধিবক্তা শ্ৰী এছ. বৰঠাকুৰৰ যুক্তি মই শুনিলো। মই স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ বিজ্ঞ স্থায়ী পৰামৰ্শদাতা শ্ৰী ডি. পি. বৰাৰ যুক্তিসমূহো শুনিলো। তেওঁ যুক্তি প্ৰৰ্দশন কৰে যে ২০২১ চনৰ ২৪ মাৰ্চ তাৰিখে বিৰোধী পক্ষৰ যুক্তি উপস্থাপন কৰি প্ৰথম লেখ আবেদনত অৰ্থাৎ, লেখ আবেদন (ডব্লিউ পি(চি)/৮০০৪/২০১৯ ত জবাবী শপতনামা দাখিল কৰা হয়।

৪) আবেদনকাৰীৰ বিজ্ঞ অধিবক্তা শ্ৰী বৰঠাকুৰে যুক্তি প্ৰদৰ্শন কৰিছে যে এফ. আৰ. ৫৬ ৯ নং অধ্যায়ৰ অন্তৰ্গত আৰু ই বাধ্যতামূলক অৱসৰৰ সৈতে জড়িত । এফ. আৰ. ৫৬ (চি)ৰ অধীনত এজন চৰকাৰী কৰ্মচাৰীয়ে সেৱাৰ পৰা অৱসৰ লোৱাৰ কমেও ৩ (তিনি) মাহৰ আগত লিখিত জাননী দাখিল কৰাৰ ব্যৱস্থা আছে আৰু এই ব্যৱস্থাৰ লগত দুটা বিকল্প চৰ্ত আছে যিটো পূৰণ কৰিব লাগিব। প্ৰথমতে, এনে চৰকাৰী কৰ্মচাৰীৰ বয়স ৫০ বছৰ হ'ব লাগিব বা ২৫ বছৰ চাকৰি কাৰ্যকাল সম্পূৰ্ণ কৰিব লাগিব, যিটো আগতে সম্পন্ন হয়। বিজ্ঞ অধিবক্তা গৰাকীয়ে যুক্তি দিয়ে যে আবেদনকাৰীয়ে দুয়োটা চৰ্ত পূৰণ কৰিছে আৰু সেয়েহে, তেওঁ এনে আবেদন দাখিল কৰাৰ বাবে যোগ্য আছিল।বিজ্ঞ অধিবক্তা গৰাকীয়ে অধিক যুক্তি আগবঢ়ায় কয় যে যিহেতু বিভাগে আবেদন খনৰ প্ৰতি কোনো সঁহাৰি নিদিলে, গতিকে ইয়াক অৱসৰৰ প্ৰস্তাৱক গ্ৰহণ কৰা হ'ল বুলি গণ্য কৰা হ'ল। এই সন্দৰ্ভত বিজ্ঞ অধিবক্তাই **দিনেশ চন্দ্ৰ চাংমা বনাম অসম চৰকাৰ আৰু অন্যান্য (১৯৭৭) ৪ এছ. চি. চি. ৪৪১**-ত প্ৰকাশিত গোচৰৰ ওপৰত নিৰ্ভৰ কৰিছে। মাননীয় উচ্চতম ন্যায়ালয়ত উপস্থাপন কৰা উক্ত গোচৰটো ন্যায়িক সেৱাৰ এজন সদস্যৰ সন্দৰ্ভত আছিল । যি এফ. আৰ. ৫৬

(চি)ৰ অধীনত চৰ্তসমূহ পূৰণ কৰাৰ পিছত স্বেচ্ছামূলক অৱসৰৰ বাবে আবেদন জনাইছিল।এই বুলি মতপোষণ কৰা হয় যে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত এনে আবেদন নাকচ নকৰিলে, গ্ৰহণ কৰা বুলি গণ্য কৰা হ'ব।

৫) ২৭.০২.২০১৯ তাৰিখৰ কাৰণ দৰ্শোৱাৰ জাননী সন্দৰ্ভত আবেদনকাৰীৰ বিজ্ঞ অধিবক্তাই স্পষ্ট কৰিছে যে একমাত্ৰ অভিযোগটো হৈছে স্বেচ্ছামূলক অৱসৰৰ বাবে আবেদন দাখিল কৰাৰ তাৰিখৰ পৰা অনুমতি অবিহনে অনুপস্থিত থকা । যুক্তি প্ৰৰ্দশন কৰা হৈছে যে এই কাৰ্য্যৰ বাবে কতৃপক্ষ দায়ী কাৰণ ৩ (তিনি) মাহৰ সময়সীমা উকলি যোৱাৰ লগে লগে ২৮.১২.২০১৭ তাৰিখৰ স্বেচ্ছামূলক অৱসৰৰ বাবে কৰা আবেদনখন গ্ৰহণ কৰা বুলি গণ্য কৰিলে নিয়োগকৰ্তাৰ সৈতে কৰ্মচাৰী সম্পৰ্ক বিচ্ছিন্ন হৈ পৰে। বিজ্ঞ অধিবক্তাই সেই অনুসৰি যুক্তি প্ৰদৰ্শন কৰে যে ১০.০৩.২০২৩ তাৰিখৰ চাকৰিৰ পৰা বৰ্খাস্ত কৰা আদেশক অবৈধ বুলি ধৰা উচিত কিয়নো ই কোনো অধিকাৰক্ষেত্ৰবিহীন কাৰ্য্যবিধিৰ পৰা উদ্ভৱ হৈছে।

৬) আবেদনকাৰীৰ বিজ্ঞ অধিবক্তাই এই ন্যায়ালয়ৰ লেখ আবেদন (দেৱানী)/৩৮৩৮/২০২২ **[ড° প্ৰভাস চন্দ্ৰ শৰ্মা বনাম অসম চৰকাৰ আৰু অন্যান্য]** গোচৰৰ ওপৰতো নিৰ্ভৰ কৰিছে, যি গোচৰ ০২.০৫.২০২৩ তাৰিখে নিষ্পত্তি কৰা হৈছিল।উক্ত গোচৰত এই ন্যায়ালয়ে **দিনেশ চন্দ্ৰ চাংমাৰ** (ওপৰত উল্লেখিত)গোচৰৰ ওপৰত নিৰ্ভৰ কৰি আবেদনকাৰীক সকাহ দিছিল, যাৰ গোচৰটোও একেধৰণৰ অৱস্থাত আছিল।

৭) ইয়াৰ বিপৰীতে, শ্ৰী বৰাই, বিজ্ঞ স্থায়ী পৰামৰ্শদাতা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, দাখিল কৰিছে যে স্বেচ্ছামূলক অৱসৰ আবেদন গ্ৰহণ নকৰাৰ কাৰণ আছে।২৪.০৩.২০২১ তাৰিখে লেখ আবেদন (দেৱানী)/৮০০৪/২০১৯ত দাখিল কৰা

জবাবী শপতনামাৰ বিষয়ে উল্লেখ কৰি বিজ্ঞ স্থায়ী পৰামৰ্শদাতাই দাবী কৰিছে যে বৈধ নিৰ্দ্দেশকৰ মতামত গ্ৰহণ কৰা হৈছিল আৰু তাৰ পিছত আবেদনকাৰীৰ বিৰুদ্ধে অনুশাসনমূলক কাৰ্য্যবিধি আৰম্ভ কৰা হৈছিল। বিজ্ঞ স্থায়ী পৰামৰ্শদাতাই যুক্তি প্ৰদৰ্শন কৰে যে চৰকাৰী চিকিৎসকৰ অভাৱ আছে আৰু সেয়েহে এনে আবেদন গ্ৰহণ কৰিলে ৰাজহুৱা স্বাৰ্থৰ বিৰোধিতা কৰা হ'ব।এই সন্দৰ্ভত বিভাগটোৰ বিজ্ঞ অধিবক্তাই **উত্তৰ প্ৰদেশ চৰকাৰ আৰু অন্যান্য বনাম আচল সিঙ, (২০১৮) ১৭ এছ.চি.চি ৫৭৮** ত প্ৰকাশিত গোচৰৰ প্ৰসংগ উত্থাপন কৰিছে। যুক্তি প্ৰদৰ্শন কৰা হয় যে ওপৰত উল্লেখিত গোচৰত, ন্যায়ালয়ে দিনেশ চন্দ্ৰ চাংমা গোচৰত প্ৰদান কৰা সিদ্ধান্তৰ লগত এক পাৰ্থক্য আছে।

৮) বিপৰীত যুক্তিসমূহ যথাযথভাৱে বিবেচনা কৰা হৈছে আৰু এই ন্যায়ালয়ে উপস্থাপন কৰা তথ্যসমূহ পুংখানুপুংখভাৱে পৰ্যালোচনা কৰা হৈছে।

৯) যিটো বিষয়ৰ ওপৰত গুৰুত্ব দিব লাগিব সেয়া হৈছে আবেদনকাৰীৰ স্বেচ্ছামূলক অৱসৰৰ বাবে কৰা আবেদনৰ । এইটো স্বীকাৰ কৰা হৈছে যে আবেদনখন ২৮.১২.২০১৭ তাৰিখে দাখিল কৰা হৈছিল, আৰু এফ. আৰ. ৫৬(চি)ৰ বিধান অনুসৰি তিনি মাহৰ সময়সীমা ২৮.০৩.২০১৮ তাৰিখে সমাপ্ত হয়। এইটোও স্পষ্ট যে ২৭.০২.২০১৯ তাৰিখৰ কাৰণ দৰ্শোৱা জাননীৰ পূৰ্বে স্বেচ্ছামূলক অৱসৰৰ বাবে প্ৰদান কৰা আবেদন গ্ৰহণ বা প্ৰত্যাখ্যানৰ সন্দৰ্ভত কোনো ধৰণৰ যোগাযোগ কৰা হোৱা নাছিল। ২৪.০৩.২০২১ তাৰিখে দাখিল কৰা জবাবী শপতনামাৰ ৬ নং দফাত উল্লেখ কৰা অনুসৰি কাৰণ দৰ্শোৱা জাননীখন বৈধ নিৰ্দ্দেশকৰ মতামতৰ ওপৰত আধাৰিত। ওপৰত উল্লেখ কৰা দফাটো, মতামতৰ সৈতে, তলত উদ্ধৃত কৰা হ'ল–

"৬) আবেদনকাৰীয়ে দাখিল কৰা স্বেচ্ছামূলক অৱসৰৰ আবেদনৰ সন্দৰ্ভত কোৱা হৈছে যে আবেদনকাৰীয়ে ২৮.১২.২০১৭ তাৰিখৰ পত্ৰৰ জৰিয়তে স্বেচ্ছামূলক অৱসৰৰ সন্দৰ্ভত আৱেদন দাখিল কৰিছিল। আবেদনকাৰীয়ে দাখিল কৰা আবেদন লাভ কৰাৰ পিছত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে, ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ এনাস্থেছিঅলজি বিভাগৰ সহযোগী অধ্যাপক, ডঃ অমল কুমাৰ লাহাৰ (অৰ্থাৎ আবেদনকাৰী), স্বেচ্ছামূলক অৱসৰ গ্ৰহণৰ বিষয়ত বৈধ নিৰ্দেশক, অসমৰ পৰামৰ্শ বিচাৰিছিল। বৈধ নিৰ্দেশক, অসমে তলত দিয়া ধৰণে পৰামৰ্শ আগবঢ়াইছিল:

"স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ U/O

পূৰ্বৰ পৃষ্ঠাত অনুমোদিত

স্বেচ্ছামূলক অৱসৰৰ যিকোনো আবেদন (ভি. আৰ. এছ) ইয়াৰ যোগ্যতাৰ ওপৰত ভিত্তি কৰি বিবেচনা কৰিব লাগে আৰু জনস্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ বা নাকচ কৰিব লাগে। বিভাগে কাকো স্বেচ্ছামূলক অৱসৰ প্ৰদান কৰিবলৈ বাধ্য নহয়।

বিভাগে সংশ্লিষ্ট ব্যক্তিজনৰ বিৰুদ্ধে কৰ্তব্যৰ পৰা কৰ্তৃত্বহীন ভাৱে অনুপস্থিত থকাৰ বাবে অনুশাসনমূলক কাৰ্য্যবিধি (ডি. পি.) আৰম্ভ কৰিব পাৰে।

স্বাক্ষৰ/-

(০২/০১/২০১৯)

*বৈধ নিদ্দেৰ্শক, অসম"*

এই ন্যায়ালয়ে পৰ্যবেক্ষণ কৰে যে স্বেচ্ছামূলক অৱসৰৰ বাবে কৰা আবেদন নাকচ কৰাৰ সন্দৰ্ভত কোনো যোগাযোগ হোৱা নাছিল বুলি স্বীকাৰ কৰা স্থিতিৰ বাহিৰেও বৈধ নিদ্দেৰ্শক, অসমে ০২.০১.২০১৯ তাৰিখে মতামত প্ৰদান কৰিছে, যিটো এফ. আৰ. ৫৬ (চি)ত উল্লেখ কৰা নিৰ্ধাৰিত সময়সীমাৰ যথেষ্ট বাহিৰত । সেই মতামতৰ গুৰুত্ব/বৈধতাৰ বিষয়ে গভীৰতালৈ নোযোৱাকৈ এই ন্যায়ালয়ে মতপোষণ কৰে যে **দীনেশ চন্দ্ৰ চাংমা** (পূৰ্বতে উল্লেখ কৰা) গোচৰত মাননীয় উচ্চতম ন্যায়ালয়ে প্ৰণয়ন কৰা নীতিসমূহ ইয়াত প্ৰত্যক্ষভাৱে প্ৰযোজ্য। এই ন্যায়ালয়ে আবেদনকাৰীৰ হৈ দিয়া যুক্তিৰ সৈতে একমত যে ২৭.০২.২০১৯ তাৰিখৰ কাৰণ দৰ্শোৱা জাননীৰ জৰিয়তে পৰৱৰ্তী সময়ত অনুশাসনমূলক কাৰ্য্যবিধি আৰম্ভ কৰাটো অযুক্তিকৰ, কিয়নো ই সঠিক অধিকাৰক্ষেত্ৰৰ বাহিৰত জাৰি কৰা হৈছিল।এই ন্যায়ালয়ে মতপোষণ কৰে যে ২৮/১২/২০১৭ তাৰিখে স্বেচ্ছামূলক অৱসৰৰ আবেদন দাখিল কৰাৰ পৰা ৩ (তিনি) মাহৰ ম্যাদ শেষ হোৱাৰ পিছত, কোনো নিয়োগকৰ্তা কৰ্মচাৰীৰ সম্পৰ্ক নাথাকে। পৰৱৰ্তী সময়ত, ১০.০৩.২০২৩ তাৰিখে আবেদনকাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ আদেশকো আইনমতে বৈধ নহয় বুলি ঘোষণা কৰা হয় কিয়নো ই কোনো অধিকাৰক্ষেত্ৰ অবিহনে আৰম্ভ কৰা কাৰ্য্যকলাপৰ ফলাফল।

১২)ন্যায়ালয়ে লক্ষ্য কৰে যে বিভাগটোৰ বিজ্ঞ স্থায়ী পৰামৰ্শদাতাই উল্লেখ কৰা গোচৰটো প্ৰাসংগিক নহয় কাৰণ এই গোচৰৰ তথ্য **দীনেশ চন্দ্ৰ চাংমা গোচৰত** উচ্চতম ন্যায়ালয়ে বিবেচনা কৰা তথ্যৰ পৰা পৃথক। তদুপৰি, **দিনেশ চন্দ্ৰ চাংমা গোচৰত** প্ৰতিষ্ঠিত আইনী নীতি এই গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে প্ৰযোজ্য।

১৩) আবেদনখন প্ৰত্যাখ্যান কৰাৰ প্ৰকৃত কাৰণ চৰকাৰী চিকিৎসকৰ অভাৱ বুলি বিজ্ঞ স্থায়ী অধিবক্তা শ্ৰী বৰাৰ যুক্তিক এই ন্যায়ালয়ে বিবেচনা কৰিছে। যদিও বাস্তৱিকতে উক্ত যুক্তি সঠিক হ 'ব পাৰে, কিন্তু এফ. আৰ. ৫৬ (চি) ত ধাৰণা কৰা অনুসৰি ৩ (তিনি) মাহৰ নিৰ্ধাৰিত সময়ৰ ভিতৰত আবেদনকাৰীক আবেদনখন নাকচ কৰাৰ আদেশ প্ৰেৰণ কৰা আৰু যোগাযোগ কৰাটো প্ৰয়োজনীয় আছিল, কিন্তু এইটো কৰা হোৱা নাছিল।

১৪)সেই অনুসৰি, ২৭.০২.২০১৯ তাৰিখৰ কাৰণ দৰ্শোৱা জাননীৰ জৰিয়তে অনুশাসনমূলক কাৰ্য্যবিধিৰ আৰম্ভণি আৰু ১০.০৩.২০২৩ তাৰিখৰ সেৱাৰ পৰা বৰ্খাস্ত কৰাৰ আদেশ বাতিল কৰা হৈছে। আবেদনকাৰীক ২৮.০৩.২০১৮ তাৰিখৰ ভিতৰত সেৱাৰ পৰা অৱসৰ গ্ৰহণ কৰা বুলি গণ্য কৰিবলৈ আৰু এনে ধৰণৰ অৱসৰত প্ৰাপ্য সুবিধা প্ৰদান কৰি প্ৰয়োজনীয় সকলো পদক্ষেপ ল'বলৈ বিভাগক নিৰ্দেশ দিয়া হ’ল।

১৫) ওপৰত দিয়া নিৰ্দেশনাৰ সৈতে দুয়োখন লেখ আবেদন মঞ্জুৰ কৰা হৈছে।

মোকাবিলা সহায়ক ন্যায়াধীশ

----------------------------------

অনুবাদক-কংকনা বৰা, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”